ASSAM SCHEDULE XXXVII FORM NO. 23 A

# PERIODIC KHIRAJ LEASE FOR TOWN LANDS

(GOALPARA, KAMRUP, NOWGONG, DARRANG, LAKHIMPUR AND SIBSAGAR)

## চহৰৰ মাটিৰ মিয়াদী খেৰাজ পট্টা

KAMRUP METROPOLITAN DISTRICT

3

কিয়নো,

আমুৰ চন্দ্ৰা হেলম কেয়াৰ
প্ৰাঃ লিঃ তৰফে এইচুৰকটৰ
শ্ৰী লক্ষ্মী বৈশ্য

গুৱাহাটী পুনৰ বসবাসতী প্ৰাধিকাৰীৰ কাৰ্যালয় গুৱাহাটী-৭

(যাক ইয়াৰ তলত পট্টাদাৰ বোলা হৈছে) ইয়াৰ লগত দিয়া তপচিলত উল্লেখ কৰা চহৰৰ মালিকে পট্টাৰ কাৰণে প্ৰাৰ্থনা কৰিছে এতেকে ইয়াৰ তলত লিখা নিয়মবিলাকৰ অধীন কৰি এই পট্টাদাৰক তেওঁৰ উত্তৰাধিকাৰী, প্ৰতিনিধি আৰু স্থলাভিষিক্তবিলাকক ইয়াৰ দ্বাৰা আসামৰ ভূমি আৰু ৰাজস্ব বিধিৰ ব্যৱস্থা আৰু সময়ে সময়ে কৰা তাৰ নিয়মৰ বশৱৰ্তী হৈ সেই মাটিৰ ওপৰত চিৰস্থায়ী উত্তৰাধিকাৰীত্বৰ আৰু হস্তান্তৰ কৰিব পৰা ভোগ দখলৰ স্বত্ব দিয়া যায় আৰু সেই মাটিৰ তলত লিখা নিয়মবিলাক অধীন কৰি ৯০ বছৰৰ কাৰণে অৰ্থাৎ [illegible] ৰ পৰা ........ তাৰিখলৈকে ১৩।০৮।২০৯৮ পট্টাদাৰক তেওঁৰ উত্তৰাধিকাৰী, প্ৰতিনিধি আৰু স্থলাভিষিক্তবিলাকক পট্টা দিয়া যায়। সেই মাটিৰ নিৰূপিত ৰাজহ তলত লিখা কিস্তিমতে বা গৱৰ্ণমেণ্টে সময় মতে আন যি যি কিস্তিৰ সময় ধাৰ্য্য কৰে সেই সেই কিস্তিমতে বছৰে বছৰে, শোধাব লাগিব।

| | | কিস্তিৰ তাৰিখ | দিবলগীয়া ৰাজহ |
|---|---|---|---|
| প্ৰথম কিস্তি | ঃ | .... | .... |
| দ্বিতীয় কিস্তি | ঃ | .... | .... |

২। পট্টাৰ নিয়মবোৰ এই ঃ-

(১) ওপৰত লিখামতে বা প্ৰাদেশিক গৱৰ্ণমেণ্টে সময় মতে ধাৰ্য্য কৰা কিস্তিমতে পট্টাদাৰে তেওঁৰ উত্তৰাধিকাৰী, প্ৰতিনিধি আৰু স্থলাভিষিক্ত বিলাকে ওপৰত উল্লেখ কৰা ৰাজহ পুৰাকৈ শোধাব লাগিব ; আৰু সেই মাটি সম্বন্ধে যিকোনো স্থানীয় টেক্স, চেচ বা স্থানীয় কৰ যিটো যি সময়ত গৱাকীয়ে বা দখলকাৰে শোধাব লগাত পৰে তেনেকৈ নিয়মিতৰূপে শোধাব লাগিব।

(২) বন্দবস্ত চলি থাকোতে যদি কেতিয়াবা খেতি সম্পৰ্কীয় কোনো মাটি খেতি সম্পৰ্কীয় মাটি বুলিলে খেতি সম্পৰ্কীয় বস্তি আৰু খেতিৰ বাবে ৰখা গৰাবাদ মাটিও বুজিব লাগিব, বা "ব্যৱহাৰত নলগোৱা" মাটি খেতিৰ সম্পৰ্ক নথকা বস্তিলৈ বা বেপাৰৰ ঠাইলৈ পৰিবৰ্তন কৰা হয় বা কোনো খেতিৰ সম্পৰ্ক নথকা বস্তি বেপাৰৰ ঠাইলৈ পৰিবৰ্তন কৰা হয় তেন্তে খেতিৰ সম্পৰ্ক নথকা বস্তিৰ বাবে বা বেপাৰৰ ঠাইৰ বাবে প্ৰাদেশিক গৱৰ্ণমেণ্টে আসাম লেণ্ড ৰেভিনিউ ৰেগুলেচন অনুসৰি ব্যৱস্থা কৰা নিৰিখ মতে সেই মাটিৰ ৰাজহ বঢ়াব পাৰিব আৰু পট্টাদাৰে তেওঁৰ উত্তৰাধিকাৰী, প্ৰতিনিধি আৰু স্থলাভিষিক্তবিলাকে সেই বঢ়োৱা ৰাজহ নিয়মিত সময়ত শোধাব।

খেতিৰ সম্পৰ্ক নথকা বস্তি বুলিলে খেতি সম্পৰ্কীয় বাদে আন কামৰ বাবে বসবাস কৰিবৰ নিমিত্তে দখল কৰা মাটিক বুজায়।

(৩) এই পট্টাৰ মিয়াদ উকলি গ'লে পট্টাদাৰক তেওঁৰ উত্তৰাধিকাৰী, প্ৰতিনিধি আৰু স্থলাভিষিক্তবিলাকক সেই মাটিৰ নতুন পট্টা ল'বলৈ প্ৰথমে সুবিধা দিয়া যাব, আৰু তেওঁ বা তেওঁবিলাকে সেই সুবিধা ল'ব নুখুজিলে পট্টাদাৰৰ তেওঁৰ উত্তৰাধিকাৰী, প্ৰতিনিধি আৰু স্থলাভিষিক্তবিলাকৰ স্বত্ব আৰু তেওঁৰ উত্তৰাধিকাৰী, প্ৰতিনিধি আৰু স্থলাভিষিক্ত বিলাকৰ হাতেদি বা তেওঁবিলাকৰ অধীনে সেই মাটিতে কাৰোবাৰ প্ৰজা বা বন্ধকসূত্ৰে ভোগ কৰিব পৰা স্বত্ব থাকিলেও সেই স্বত্ব সম্পূৰ্ণৰূপে ৰহিত আৰু শেষ হ'ব।

(৪) আলি মেৰামত কৰিবৰ নিমিত্তে প্ৰাদেশিক গৱৰ্ণমেণ্ট বা গৱৰ্ণমেণ্টৰ কাৰ্য্যকাৰক সকলে কোনো লোকচানি নিদিয়াকৈ সকলো প্ৰাদেশীয় বা লোকেল বোৰ্ড আলিৰ কাষৰ বা ওখ আলিৰ নামনিৰ পৰা ৩৫ ফুটৰ ভিতৰত খেতি সম্পৰ্কীয় মাটিৰ পৰা কটাই আনিব পাৰিব। আৰু সেই মাটি বা তাৰ কোনো অংশ, তাত থকা শস্য, লাগনী গছ বা ঘৰৰ মুল্যত বাজে আন কোনো লোকচানি নিদিয়াকৈ লব পাৰিব।

কিন্তু এই পট্টাৰ কোনো নিয়মে পট্টাদাৰে ইতিপূৰ্বে পোৱা কোনো স্বত্বৰ বা আগৰ পট্টা অনুসৰি প্ৰাদেশিক গৱৰ্ণমেণ্টে ৰখা কোনো স্বত্বৰ অন্যথা কৰিব নোৱাৰিব।

সেই মাটিত বা তাৰ তলত থকা শিলৰ খনি আন কোনো খনি বা খনিজ বস্তু বা তেল আৰু মাটিৰ তলত পোত গৈ থকা সকলো বহুমূলীয়া বস্তুৰ ওপৰত প্ৰাদেশিক গৱৰ্ণমেণ্টৰ স্বত্ব ৰখা গ'ল। সেইবিলাক বিচাৰিবলৈ বা খানি উলিয়াবলৈ যাওঁতে মাটিৰ ওপৰভাগত কোনো লোকচান হলে সেই নিমিত্তে তৎকালিন ডিপুটী কমিচনাৰ চাহাবে হিচাব কৰি ক্ষতিপূৰণৰ বাবে যি টকা ধাৰ্য্য কৰে সেই টকা পট্টাদাৰক তেওঁৰ উত্তৰাধিকাৰী প্ৰতিনিধি আৰু স্থলাভিষিক্ত বিলাকক দি সেই শিলৰ খনি ইত্যাদি বিচাৰিবলৈ বা খানি উলিয়াবলৈ প্ৰাদেশিক গৱৰ্ণমেণ্টৰ সকলো সময়তে সম্পূৰ্ণ ক্ষমতা থাকিব।

উক্ত মাটিৰ সীমাই দি বা ওপৰেদি বৈ যোৱা নৈ আৰু জান বিলাকত য'ত বছৰৰ কোনো সময়ত নাও চলাব পাৰি বা কাঠ উটাই নিব পাৰি, সেই বিলাকত চলাচল কৰিবৰ নিমিত্তে সৰ্বসাধাৰণৰ স্বত্ব থাকিব আৰু সেইবিলাক নৈ বা জানৰ দুয়োকাষে ২০ ফুট বহল একোদোখৰ মাটি সৰ্বসাধাৰণে নাও টানিবৰ বা বান্ধিবৰ নিমিত্তে, বস্তু-বাহানি তোলা পৰা কৰিবৰ নিমিত্তে আৰু পানী চলাচল কৰোঁতে, কাঠ উটাই আনোঁতে আৰু মাছ মাৰোঁতে যিবিলাক কাম কৰিবৰ আৱশ্যক হয় সেইবিলাকৰ নিমিত্তে সকলো সময়তে ব্যৱহাৰ কৰিব পাৰিব।

কিন্তু যি মাটিত এনে বিলাক স্বত্ব ইতিপূৰ্বে ৰখা নহৈছিল সেই মাটিত এই নিয়ম নেখাটিব।

(৭) পট্টাদাৰে তেওঁৰ উত্তৰাধিকাৰী, প্ৰতিনিধি আৰু স্থলাভিষিক্ত বিলাকে, এই পট্টাৰ তলত দখল কৰা মাটি পাছত কেতিয়াবা জোখোতে পট্টাত লিখা মাটিতকৈ বঢ়া বা কমা পালে তেতিয়াৰ পৰা, সেই পৰিমাণে এতিয়া ধাৰ্য্য কৰা ৰাজহও বেচি বা কম কৰি নিৰূপিত কৰিব পৰা যাব।

Ayursundra Health Care Pvt. Ltd.
Director
পট্টাদাৰৰ চহী

দিনেশ শৰ্মা, এ.চি.এচ.

তাৰিখ ঃ ২০০ .....

জিলাৰ ডিপুটী কমিচনাৰ বা ক্ষমতা পোৱা আন কোনো হাকিমৰ চহী
বন্দবস্তী প্ৰাধিকাৰী
গুৱাহাটী

মৌজা - বেলতলা
জিলা - কামৰূপ (মে)

# তপচিল

চহৰ ঃ বেটকুচি
পট্টা নং ঃ ১৪০

| মাটিৰ বিৱৰণ | | মাটিৰ পৰিমান | নিৰূপিত ৰাজহ | মন্তব্য |
|---|---|---|---|---|
| দাগ নং | শ্ৰেণী | | | |
| ২৬১ | ২য় বাস্তু | আৰ ৫২'৮৪ | ১৫৮৫·২০ | |
| মুঠ ৰাজহ | | | ১৫৮৫·২০ | |
| স্থানীয় কৰ | | | ৩৯৬·৩০ | |
| সৰ্বমুঠ | | ৫২'৮৪ | ১৯৮১·৫০ | |

Ayursundra Health Care Pvt. Ltd.
Director
পট্টাদাৰৰ চহী

দিনেশ শৰ্মা, এ.চি.এচ.
জিলাৰ ডিপুটী কমিচনাৰ বা ক্ষমতা পোৱা আন কোনো হাকিমৰ চহী
বন্দবস্তী প্ৰাধিকাৰী
গুৱাহাটী